## জনভাষা জৰীপ বিষয়ক ৰাষ্ট্ৰীয় মনোজ্ঞ আলোচনাচক্ৰ

অসমীয়া প্ৰতিদিন ২৬/০২/২৪

# যোৰহাট কলেজৰ কহিনুৰ জয়ন্তীত সাংস্কৃতিক শোভাযাত্ৰা

**প্ৰতিদিন সংবাদ, যোৰহাট, ২৪ ফেব্ৰুৱাৰী ঃ** কালিৰ পৰা জেহিৰুদ্দিন আহমদ ক্ষেত্ৰত কথাশিল্পী ডিম্বেশ্বৰ দয়াল শৰ্মা মঞ্চত আৰম্ভ হোৱা যোৰহাট মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল কহিনুৰ জয়ন্তীৰ লগত ৰজিতা খুৱাই আজি নগৰখনত এক অতি আকৰ্ষণীয় বাৰেৰহণীয়া শোভাযাত্ৰা উলিওৱা হয়। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, চিৰজেচিত আৰু চিৰজেচিয়ানৰ উপৰি গায়ন-বায়নৰ দল, সহযোগী বিদ্যালয় যোৰহাট জাতীয় বিদ্যালয় আদিয়েও এই শোভাযাত্ৰাত যোগ দিয়ে। আনুষ্ঠানিকভাৱে শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে ১৯৬২ চনৰ প্ৰথম দলত মহাবিদ্যালয়ত



নামভৰ্তি কৰাৰ সুদীৰ্ঘ ষাঠি বছৰ পাচত পুনৰ মহাবিদ্যালয়ত নামভৰ্তি কৰা চিৰসেউজ, চিৰজেচিয়ান ৯৩ বছৰীয়া ৰবীন্দ্ৰনাথ দাসে। পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱা, অধ্যক্ষ ড° দেৱব্ৰত শৰ্মা আদিয়ে এই শোভাযাত্ৰাৰ আঁৰৰ ৬০ বছৰৰ বৰ্ণাঢ্য ইতিহাস দাঙি ধৰে।

ইয়াৰ আগতে মহাবিদ্যালয়ৰ গীতাৰ্থ বৰুৱা স্মৃতি অধ্যয়ন কক্ষ তথা চিত্ৰ কাননৰ সম্প্ৰসাৰণৰ দুৱাৰ মুকলি কৰে পৰিচালনা সমিতিৰ পূৰ্বৰ সভাপতি ড° ননীগোপাল গোস্বামীয়ে। উল্লেখযোগ্য যে প্ৰয়াত চিৰজেচিয়ান গীতাৰ্থ বৰুৱাৰ

■ ১১ পৃষ্ঠাত

অসমীয়া প্ৰতিদিন ২৩/০২/১৪

# যোৰহাট কলেজৰ কহিনুৰ জয়ন্তীত সাংস্কৃতিক

স্মৃতিত তেওঁৰ পিতৃ ড° পৰাণ বৰুৱা, মাতৃ ড° স্মৃতিৰেখা বৰুৱা আৰু ভাতৃ ডাঃ সিদ্ধাৰ্থ বৰুৱাই আগবঢ়োৱা চৈধ্য লাখ টকাৰ দানেৰে গঢ়ি তোলা কক্ষটোৰ আন্তঃগাঁথনিৰ খৰচো পৰিয়ালটোৱেই বহন কৰিছে। ইয়াকে ধৰি কহিনুৰ জয়ন্তীত দুটা দৃশ্য-শ্ৰাব্য কক্ষকে ধৰি মুঠ তিনিটা স্থায়ী ব্যৱস্থাৰ শুভাৰম্ভ কৰা হয়।

ইফালে আজি কহিনুৰ জয়ন্তীৰ লগত ৰজিতা খুৱাই তৃতীয়খন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ যুটীয়াভাৱে আয়োজন কৰে মহাবিদ্যালয়খনৰ ইংৰাজী আৰু অসমীয়া বিভাগে। অসমৰ জন ভাষা জৰীপ (Peoples' Linguistic Survey of Assam)বিষয়ক এই আলোচনাচক্ৰখনৰ উদ্বোধন কৰি অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোহাঁই ৰাজকোঁৱৰে কয়— 'অসম মহিলা বিশ্ববিদ্যালয়ে যোৰহাট মহাবিদ্যালয়ৰ লগত যুটীয়াভাৱে চলাই থকা অসমৰ জন-ভাষা জৰীপ পদ্ধতিগতভাৱে বিজ্ঞানসন্মত হ'ব লাগিব। ইয়াৰ বাবে বজাৰত তথ্য-প্ৰযুক্তিসুলভ হওক বা নহওক আমি থলুৱাভাৱে তাক বিকশিত কৰিব লাগিব। অসম মহিলা বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী তথা চিৰজেচিয়ান ড° প্ৰশান্ত পূজাৰীয়ে অসমৰ ৭৫ খন গাঁৱত ইতিমধ্যে সম্পন্ন কৰা জনভাষা জৰীপৰ পৰা উঠি অহা অসমৰ ভাষিক ছবিখন সম্পৰ্কে বহু আকৰ্ষণীয় তথ্য অৱগত কৰে আৰু যোৰহাট মহাবিদ্যালয়ৰ লগত যুটীয়াভাৱে এখন আন্তৰ্জাতিক আলোচনাচক্ৰ পতাৰ পোষকতা কৰে। সঞ্চালকৰ ভাষণত ড° দেৱব্ৰত শৰ্মাই আব্ৰাহাম গ্ৰিয়েৰ্চনৰ 'ভাৰতৰ ভাষাতাত্ত্বিক জৰীপ' (১৯২৮)ৰ ১০০ বছৰ পাচতো নতুনকৈ ভাষা জৰীপ নোহোৱাত উদ্বেগ প্ৰকাশ কৰে আৰু ইংৰাজী-হিন্দী-সংস্কৃতৰ আধিপত্য আঁতৰাই জনজাতীয়-জনগোষ্ঠীয়-আদিবাসী ভাষাবিলাকৰ সমান্তৰালভাৱে অসমীয়াৰ দৰে আঞ্চলিক ভাষাৰ বিকাশৰ পোষকতা কৰে। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা মনীষা দুৱৰাই আঁত ধৰা আলোচনাচক্ৰত শুভেচ্ছামূলক ভাষণ আগবঢ়াই স্থানীয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে যোৰহাট মহাবিদ্যালয়ে লৈ অহা ব্যতিক্ৰমী বিদ্যায়তনিক পদক্ষেপসমূহৰ প্ৰতি অভিনন্দন জনায়। শুভ্ৰজ্যোতি চন্দই উদ্দেশ্য ব্যাখ্যা কৰা আলোচনাচক্ৰখনত ভাষা গৱেষিকা ড° জ্যোতিৰেখা হাজৰিকাই সাম্ৰাজ্যবাদী ইংৰাজে শোষণৰ স্বাৰ্থত হ'লেও ভাষাতাত্ত্বিক জৰীপ কৰাৰ বিপৰীতে স্বাধীন ভাৰতত এবাৰো ভাষাতাত্ত্বিক জৰীপ নকৰাত আক্ষেপ প্ৰকাশ কৰে। পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাও উপস্থিত থকা আলোচনাচক্ৰখনত মুখ্য সমল ব্যক্তিৰ বক্তব্য আগবঢ়াই ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ মানবিকীবিদ্যা বিভাগৰ মুৰব্বী তথা আন্তৰ্জাতিক পৰ্যায়ৰ ভাষাতত্ত্ববিদ ড° প্ৰিয়ংকু শৰ্মাই কয়— কোনো পূৰ্ব ধাৰণা লৈ আমি এনে জৰীপ কৰা উচিত নহয়। উপ-ভাষাসমূহৰ ক্ষেত্ৰতো আমি ভবাতকৈও বহু বেছি বৈচিত্ৰ্য আছে। ভাষাসমূহৰ বৈচিত্ৰ্য অধ্যয়ন কৰাটো গুৰুত্বপূৰ্ণ। প্ৰতিটো মাতৃভাষাত পাঠ্যপুথি প্ৰণয়ন কৰাটোও জৰুৰী। শলাগৰ শৰাই আগবঢ়ায় ড° জ্যোতিৰ্ময় বৰদলৈয়ে।

সন্ধিয়া পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাৰ আহ্বানক্ৰমে জিলা আয়ুক্ত পুলক মহন্তই চিৰজেচিত, সাহিত্য অকাডেমী বিজয়িনী নিৰুপমা বৰগোহাঞিৰ সন্মানাৰ্থে নিবেদিত মঞ্চ উদ্বোধন কৰে। এই মহাবিদ্যালয়ৰে একালৰ অধ্যাপিকাগৰাকীৰ সাহিত্য কৃতিৰ বিষয়ে কয় অধ্যক্ষ ড° শৰ্মাই। ইয়াৰ পাচতে আজিৰ সন্ধিয়া মুকলি কৰে চিৰজেচিয়ান শিল্পী দেৱব্ৰত মহন্তই। বুজনসংখ্যক চিৰজেচিয়ান বিগত বছৰবিলাকৰ শ্ৰেষ্ঠ গায়ক-গায়িকাসকলৰ গীতেৰে সজোৱা সন্ধিয়াৰ মুখ্য আকৰ্ষণ আছিল জনপ্ৰিয় গায়িকা তৰালি শৰ্মা।